# পূজাৰ অৰ্ঘ্য

শ্ৰীমদন মোহন গোস্বামী

Ph no 9706294912

# পূজাৰ অৰ্ঘ্য

EN'S UNIVERS
Library

Dr. Malinee Goswami
Professor & Research Guide
Dept. of Assamese
Gauhati University



শ্ৰীমদন মোহন গোস্বামী

Central Library
Assam Women's University
Accession No.: 635
Date 10/02/22

# পূজাৰ অৰ্ঘ্য

পঞ্চাচটা স্বৰচিত অসমীয়া কবিতা


লিখক'—

শ্ৰীমদন মোহন গোস্বামী এম. এচ, চি



প্ৰথম প্ৰকাশ :—

জানুৱাৰী, ১৯৮৭ চন

প্ৰকাশিকা :—

শ্ৰীমতী কমলা গোস্বামী

চাপৰি পথ, ডিব্ৰুগড়

ছপাশাল :—

ভট্টাচাৰ্য্য প্ৰেচ, ডিব্ৰুগড়

মূল্য— ১০.০০ টকা



( সৰ্ব্বস্বত্ব সংৰক্ষিত )


## উছৰ্গা

আমাৰ জ্যেষ্ঠ ভাতৃ যিজনা অসমৰ জাতীয়
স্বাৰ্থৰ বাবে প্ৰাণ বিসৰ্জ্জন দিলে
সেইজনা স্বহীদ কল্পনাথ ভট্টাচাৰ্য্যৰ
স্মৃতিত এই ক্ষুদ্ৰ কবিতা
পুথিখনি উছৰ্গা কৰিলোঁ।

---


Dr. Malinee Goswami
Professor & Research Guide
Dept. of Assamese
Gauhati University

# সূচী-পত্ৰ

—:o:—


| | | | |
|---|---|---|---|
| ৰমণীয়ম্ | ... ১ | মই কণা | ... ২৭ |
| নীলাবৰফ | ... ২ | সেই পগলাটো | ... ২৮ |
| শৰৎকাল | .... ৩ | মেঘ চপৰা | ... ৩০ |
| বাৰিষা আহিলত | ... ৪ | নৰক আৰু স্বৰগ একেডাল গছৰ | |
| ভিখাৰী | ... ৫ | গুৰি আৰু আগঠুৰি | ... ৩১ |
| ৰেলখনৰ চৰিত্ৰ | ... ৬ | দিব্যজ্ঞান | ... ৩২ |
| সপোনটো | ... ৭ | প্ৰকৃতি বলীয়া মন | ... ৩৩ |
| জীৱন কৰিতা | ... ৮ | জঞ্জাল | ... ৩৪ |
| চন্দ্ৰালোক | ... ৯ | পথিক | ... ৩৫ |
| শীত | ... ১০ | গাঁওৰ আহ্বান | .. ৩৬ |
| কলামেঘ | ... ১১ | প্ৰকৃতিৰ চিত্ৰ | ... ৩৭ |
| ডিভেলুৱেচনৰ পাচত | ... ১২ | পৰিচিত বতাহ এছাটি | ... ৩৮ |
| ঘূৰণীয়া পৃথিৱী | ... ১৩ | পখিলা আৰু ফুলমাই | ... ৩৯ |
| এছাটি বতাহ | ... ১৪ | অজান দেশলৈ অভিযান | ... ৪০ |
| উষা | ... ১৫ | কল্পনা আৰু বাস্তৱ | ... ৪১ |
| হাহিম বোলা ঠাইখন | ... ১৬ | নতুনক মাৰটি ললে | ... ৪২ |
| গদাধৰ | ... ১৭ | বিহঙ্গ সঙ্গ | ... ৪৩ |
| বতাহে বৈ আনে কৰ্তব্যৰ বতৰা | ... ১৮ | প্ৰশ্ন | ... ৪৪ |
| পকাধানৰ পথাৰৰ মাজেদি | ... ১৯ | ৰূপৰ সপোন পুৰি | ... ৪৫ |
| ৰসন্ত আহে | .... ২০ | কুণ্ডিল নগৰ | ... ৪৬ |
| শৰতৰ আবেদন | ২১ | মৰুভূমি | .... ৪৭ |
| শেষ ৰাতি | ২২ | মানৱজীৱন | ... |
| সূৰ্য্য বন্দনা | ... ২৩ | বাস্তৱ তাড়না | ... |
| বসন্তৰ ধুমুহা | .... ২৪ | নতুন সমাজ | .... |
| শৰতৰ শেৱালি | .... ২৫ | মোৰ ক্ষুদ্ৰতা | ... |
| এদিনাখন গধুলি সোণোৱালী ক্ষণ এটিত | ... ২৬ | প্ৰেম মাধুৰী | .... |


# মন্তব্য

ডঃ মহেন্দ্ৰ বৰাৰ

"পূজাৰ অৰ্ঘ্যৰ কবিতা কেইটা পঢ়িলো । পঢ়ি ভাল পালোঁ। কবিতা লেখা সচা সচিকৈয়ে টান কাম । কাৰণ, মই বিশ্বাস কৰোঁ, কবিতা বোলা বস্তুটো সৃষ্টিৰ মূলৰ পৰা উৎসাৰিত । সি আপোনা আপুনি ওলাই আহে—ছন্দে উপমাই সমৃদ্ধ হৈ । এই পুথিখনৰ কবিতা বোৰো হয়তো তেনেকৈয়েই ওলাই আহিছে ।

কবি মদন গোস্বামী বিজ্ঞানৰ ছাত্ৰ। সাম্প্ৰতিক কালৰ আটাই-কেইজন খ্যাতনামা গল্প, লিখকেই বিজ্ঞানৰ ছাত্ৰ। বিজ্ঞানে সাহিত্য সৃষ্টিৰ বাবে লেখকক এটা বেলেগ বাটৰ সন্ধান দিয়ে। সেই বাটটো পৰ্য্যবেক্ষণৰ আৰু বিশ্লেষণৰ। কবিতাৰ বাবে তাৰ লগতে লাগে এক সংশ্লেষণ। আৰু সেই সংশ্লেষণৰ উমান দিয়ে শব্দৰ সাধনাই। গোস্বামী সেইটো বাটৰ পথিক নহয় চিৰাচৰিত বাটৰে পথিক। সেইকাৰণে, গোস্বামীৰ কবিতাত আধুনিক কাব্যৰ জটিলতা নাই। মাথোঁন বিষয়-বস্তু ঠায়ে ঠায়ে পৰাম্পৰগত কবিৰ লেখীয়া নহয়; ডিভেলুৱেশ্যন আৰু ৰেলৰ ষ্টেচনত ৰৈ থকা গাড়ীখনো এইজন কবিৰ কাব্যমানসৰ বাবে অস্পৃশ্য নহয়। কিন্তু, এই সৰু কবিতা সংকলখনৰ সৰহভাগ কবিতাতে শৰতে আমনি কৰি গৈছেহি। বসন্ততকৈ শৰত সিজনৰ অধিক প্ৰিয়। আমাৰ কাব্য-সাহিত্যত শৰতৰ কবিতা নাই বুলিয়েই কব পাৰি। মাথোন তিনিটামানহে আছে। তাহানি শংকৰদেৱে লেখাটো, পাৰ্বতিপ্ৰসাদ বৰুৱাই লেখাটো আৰু ধ্বনি কবি বিনন্দ বৰুৱাই লেখাটো। তথাপি অকপটে কওঁ, গোস্বামীৰ কবিতা কেইটাত ভিতৰলৈ সোমাই যোৱাৰ প্ৰচেষ্টা অলপ কম। শব্দৰ শিল্প-সাধনাতো গোস্বামীয়ে উজুটি নোখোৱাকৈ থকা নাই। যিটো বস্তুৱে মোৰ মন আকৰ্ষণ কৰিছে সেয়া হৈছে সুৰৰ অন্বেষণ। সুৰৰ পম খেদি সুবাসবো সন্ধান দিছে।

এয়া কবিৰ কণ্ঠৰ প্ৰথম কাকলি। তাৰ সৌন্দৰ্য্য আত্মহাৰা শিশুৰ সবিস্ময় কলৰৱৰ দৰে। আশা কৰিছো, কবিৰ পৰা ভৱিষ্যতে আৰু বেচি মধুময় কবিতা অসমীয়া সাহিত্যই পাব। সন্দেহ নাই, এই খন কবিতা পুথি আন্তৰিক উপলব্ধিৰ গুঞ্জৰণেৰে মধুময়।

ডিব্ৰুগড়

২১ চেপ্তেম্বৰ ১৯৮৬ স্বাঃ মহেন্দ্ৰ বৰা

# কৃতজ্ঞতা স্বীকাৰ

বৃহৎ অসমীয়া জাতিৰ ভাষা অসমীয়া ভাষালৈ পূৰ্বণিকালৰে পৰা বৰ্ত্তমানলৈ বহুতো সুসন্তানে বিভিন্ন দিশত প্ৰচুৰ বৰঙণি দি আহিছে। ভাষা জননীৰ এই ব্যাপক পূজাত এটা ক্ষুদ্ৰাতিক্ষুদ্ৰ অৰ্ঘ্য হিচাবে মোৰ বিভিন্ন সময়ত ৰচনা কৰা কেইটামান কবিতা একেলগ কৰি "পূজাৰ অৰ্ঘ্য" নাম দি জাতিৰ সন্মুখত ঠিয় কৰিবলৈ যত্ন কৰিছো। মোৰ এই প্ৰযত্নত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক আধুনিক অসমীয়া সাহিত্যত অৰিহনা দি অহা বিশিষ্ট কবি ডঃ মহেন্দ্ৰ বৰাদেৱে এটা অতি উৎকৃষ্ট বিশ্লেষণেৰে যি পাতনি লিখি দি সহায় কৰিলে তাৰ বাবে মই তেখেতৰ ওচৰত কৃতজ্ঞ।

কবিৰ মনৰ দাপোনত যেতিয়া একো একোটা মধুৰ ভাব বিজুলীৰ দৰে খেলি যায়, সিয়ে হৈ পৰিব পাৰে একো একোটা কবিতা সৃষ্টিৰ উৎস। সেই মূহুৰ্ত্তত কবিৰ শব্দ সম্ভাৰৰ পৰশত লিখনিৰ আগত যি মধুৰ সমন্বয়-সম্বলিত স্ৰোত নিগড়িত হয়। সিয়ে কেতিয়াবা কেতিয়াবা হৈ পৰে একো একোটা কবিতা, ভাষা জননীৰ চৰণত একো একো পাহি পুষ্প। গতিকে কবিতা সৃষ্টি খুব এটা সহজ কাম নহয়। যদি ভাৱৰ স্ৰোত বন্ধ হৈ যায় কবিতা আধৰুৱা হয়। যদি স্ৰোতৰ গতি প্ৰাপ্ত হয় তেতিয়া কবিতাই পূৰ্ণ অৱয়ৱ পাব পাৰে। তেনেকুৱা পূৰ্ণ অৱয়ৱ পোৱা কেইটামান ক্ষুদ্ৰ ক্ষুদ্ৰ কবিতা "পূজাৰ অৰ্ঘ্যত" ঠাই দি এই কবিতা পুথিখনি ৰাইজৰ আগলৈ উলিয়াই অনাত সহায় কৰিলে ডিব্ৰুগড় নগৰৰ বিশিষ্ট ছপাশাল ভট্টাচাৰ্য্য প্ৰেছৰ শ্ৰীমান শান্তনু ভট্টাচাৰ্য্য আৰু প্ৰেছৰ কৰ্ম্মী সকলে তেখেত সকললৈ মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো।

মোৰ সৰুকালৰে পৰা সাহস দি অহা মোৰ অতি আপোন ডাঙৰ ভাতৃ তথা শিক্ষা কালত যিজনৰ আশ্ৰয়ত থাকি সুকলমে শিক্ষা সাং কৰিব পাৰিছিলো তথা অনেক কবিতা যাৰ আশ্ৰয়তে থকা কালতে, ৰচনা কৰা হৈছিল, যিজন ককাইদেউ অসমীয়াৰ অস্তিত্ব ৰক্ষা আন্দোলনত জীৱন দি স্বহীদ হৈছিল—সেইজন গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন মুখ্য সহায়ক স্বৰ্গীয় ৰঙ্গনাথ ভট্টাচাৰ্য্যক কৃতজ্ঞতাৰে সুঁৱৰিছো। সৰ্ব্বশেষত মোক এই কাৰ্য্যত উৎসাহিত কৰা আটাইবোৰ ব্যক্তিকে শলাগ যাচি আজিৰ কৃতজ্ঞতা স্বীকাৰ শিতানটো সামৰিলো।

ডিব্ৰুগড়

চেপ্তেম্বৰ ১৯৮৬ চন ॥

শ্ৰীমদন মোহন গোস্বামী

## ৰমণীয়ম্

আনকি ভৰ দুপৰীয়াও তাত ফুৰিব ভাল।
বহল মুকলি পথাৰত সুন্দৰ বতাহ বলিছে।
আপোনাৰ চুলি কোচা উৰুৱাই নিব খোজে
চুলি কোচা ঠিক কৰি লওঁক ( নহ'লে কোনোবাই দেখা পাব )
বুলবুলি চৰাইৰ কলমলকনি শুনিছেনে ?
বতাহত ঘন চিৰিকাৰ মাতো ভাহি আহিছে।
পকাধানবোৰ ঠোঁটেৰে এটা এটাকৈ একৰাই খাই
বুলবুলি জাকে বতাহত চেও দি আন কোনোবা
পথাৰলৈ গুচি গল।
কাউৰীৰ বিকট চিঞৰ তাত নাই
আছে মনোৰম ধানবোৰৰ অপূৰ্ব্ব সৌন্দৰ্য্য।

৩।৮।৬৩

Dr. Malinee Goswami
Professor & Research Guide
Dept. of Assamese
Gauhati University

# কৃতজ্ঞতা স্বীকাৰ

বৃহৎ অসমীয়া জাতিৰ ভাষা অসমীয়া ভাষালৈ পুৱণিকালৰে পৰা বৰ্ত্তমানলৈ বহুতো সুসন্তানে বিভিন্ন দিশত প্ৰচুৰ বৰঙনি দি আহিছে। ভাষা জননীৰ এই ব্যাপক পূজাত এটা ক্ষুদ্ৰাতিক্ষুদ্ৰ অৰ্ঘ্য হিচাবে মোৰ বিভিন্ন সময়ত ৰচনা কৰা কেইটামান কবিতা একেলগ কৰি "পূজাৰ অৰ্ঘ্য" নাম দি জাতিৰ সন্মুখত ঠিয় কৰিবলৈ যত্ন কৰিছো। মোৰ এই প্ৰযত্নত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপক আধুনিক অসমীয়া সাহিত্যত অবিহনা দি অহা বিশিষ্ট কবি ডঃ মহেন্দ্ৰ বৰাদেৱে এটা অতি উৎকৃষ্ট বিশ্লেষণেৰে যি পাতনি লিখি দি সহায় কৰিলে তাৰ বাবে মই তেওঁৰ ওচৰত কৃতজ্ঞ।

কবিৰ মনৰ দাপোনত যেতিয়া একো একোটা মধুৰ ভাব বিজুলীৰ দৰে খেলি যায়, সিয়ে হৈ পৰিব পাৰে একো একোটা কবিতা সৃষ্টিৰ উৎস। সেই মূহূৰ্ত্তত কবিৰ শব্দ সম্ভাৰৰ পৰশত লিখনিৰ আগত যি মধুৰ সমন্বয়-সম্বলিত স্ৰোত নিগড়িত হয়। সিয়ে কেতিয়াবা কেতিয়াবা হৈ পৰে একো একোটা কবিতা, ভাষা জননীৰ চৰণত একো একো পাহি পুষ্প। গতিকে কবিতা সৃষ্টি খুব এটা সহজ কাম নহয়। যদি ভাবৰ স্ৰোত বন্ধ হৈ যায় কবিতা আধৰুৱা হয়। যদি স্ৰোতৰ গতি প্ৰাপ্ত হয় তেতিয়া কবিতাই পূৰ্ণ অৱয়ৱ পাব পাৰে। তেনেকুৱা পূৰ্ণ অৱয়ৱ পোৱা কেইটামান ক্ষুদ্ৰ ক্ষুদ্ৰ কবিতা "পূজাৰ অৰ্ঘ্যত" ঠাই দি এই কবিতা পুথিখনি ৰাইজৰ আগলৈ উলিয়াই অনাত সহায় কৰিলে ডিব্ৰুগড় নগৰৰ বিশিষ্ট ছপাশাল ভট্টাচাৰ্য্য প্ৰেছৰ শ্ৰীমান শান্তনু ভট্টাচাৰ্য্য আৰু প্ৰেছৰ কৰ্ম্মী সকলে তেখেত সকললৈ মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো।

মোৰ সৰুকালৰে পৰা সাহস দি অহা মোৰ অতি আপোন ডাঙৰ ভাতৃ তথা শিক্ষা কালত যিজনৰ আশ্ৰয়ত থাকি সুকলমে শিক্ষা সাং কৰিব পাৰিছিলো তথা অনেক কবিতা যাৰ আশ্ৰয়তে থকা কালতে, ৰচনা কৰা হৈছিল, যিজন ককাইদেউ অসমীয়াৰ অস্তিত্ব ৰক্ষা আন্দোলনত জীৱন দি স্বহীদ হৈছিল—সেইজন গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন মূখ্য সহায়ক স্বৰ্গীয় ৰত্ননাথ ভট্টাচাৰ্য্যক কৃতজ্ঞতাৰে সুঁৱৰিছো। সৰ্ব্বশেষত মোক এই কাৰ্য্যত উৎসাহিত কৰা আটাইবোৰ ব্যক্তিকে শলাগ যাচি আজিৰ কৃতজ্ঞতা স্বীকাৰ শিতানটো সামৰিলো।

ডিব্ৰুগড়

চেপ্তেম্বৰ ১৯৮৬ চন ॥

শ্ৰীমদন মোহন গোস্বামী

## ৰমণীয়ম্

আৰকি ভৰ দুপৰীয়াও তাত ফুৰিব ভাল।  
বহল মুকলি পথাৰত সুন্দৰ বতাহ বলিছে।  
আপোনাৰ চুলি কোচা উৰুৱাই দিব খোজে  
চুলি কোচা ঠিক কৰি লওঁক (নহলে কোনোবাই বেয়া পাব)  
বুলবুলি চৰাইৰ কলমলকনি শুনিছেনে ?  
বতাহত ঘন চিৰিকাৰ মাতো ভাহি আহিছে।  
পকাধানবোৰ ঠোঁটেৰে এটা এটাকৈ একৰাই খাই  
বুলবুলি জাকে বতাহত চেও দি আন কোনোবা  
পথাৰলৈ গুচি গল।  
কাউৰীৰ বিকট চিঞৰ তাত নাই  
আছে মনোৰম ধাননিবোৰৰ অপূৰ্ব্ব সৌন্দৰ্য্য।

৩/৮/৬৩

Dr. Malinee Goswami
Professor & Research Guide
Dept. of Assamese
Gauhati University

## নীলাবৰফ

মই যদি কণাবাদুলীটো হলোহেঁতেন
উৰি উৰি গলোহেঁতেন নীল আকাশৰ
ৰঙাপৰা মেঘডোখৰ চুবলৈ ;
অস্তগামী ৰবিৰ আবিৰ আনিবলৈ ।
আৰু পাহাৰৰ সিপাৰৰ পকাধানডৰাৰ
ওপৰেৰে উৰিলোহেঁতেন এবাৰলৈ ।
হলোহেঁতেন যদি মই কণাবাদুলী
বহল এই নীলা আকাশ ভেদি
থাকিলোহেঁতেন মই গৈ
আৰু মোৰ চকুত পৰিলহেঁতেন
প্ৰথমে অসম, পিচত ভাৰত
তাৰ পিচত এটি টুপুৰা বল
যাৰ পিঠিত অঙ্কিত আছে চিত্ৰ বিচিত্ৰ ৰঙৰ বোল ।
যেতিয়া হলোহেঁতেন
অসীম শূণ্যৰ মাজত মই নগণ্য এটা ধূলি
তেতিয়া
হেপাহ পলুৱাই নীল আকাশখন ললোহেঁতেন চাই
আৰু তাৰে এচপৰা নীলা ৰং
কৰি ললোহেঁতেন নীলাবৰফ
বিলাও যাতে উভতি গৈ পৃথিৱীত মই নীলাবৰফ ।

৩/৪/৬৩



## শৰৎকাল

বুজিছো এইটো শৰৎকালৰ আগমনি
সুখ শান্তি ভৰা প্ৰশস্ত সময়
মধুৰ সবিতাৰ সুমধুৰ চাৱনি
পৰি বিয়পিছে দিগবলয় ।
শৰৎ কালৰ ৰাতিপুৱা
কি যে সুন্দৰ মন মোহি নিয়া ।
দিনৰ মিঠা ৰদালি, ৰাতি শিতল চন্দ্ৰমাৰ মধুৰিমা
নাতি শীতোষ্ণ বায়ুমণ্ডল, শৰৎকালৰ আগমন ।
ফুলিব নতুন ফুল গছৰ ডালত
ওলাব নতুন চিৰ্কতি ৰংবিৰঙৰ
সিহঁতৰ কলৰবে যাব বায়ুমণ্ডল বিয়পি
ছন্দময়, সুখময় হব এই ভূমি ।
পথাৰত সোনালী ধান পকিছে ভৰি
থাকে থাকে থোকবোৰে সুন্দৰক আনিছে আদৰি
আৰুনীলা আকাশৰ ভ্ৰাম্যমান মেঘমালাই
কৰে সুশোভিতা উদীয়মান চন্দ্ৰমা ।

১২/২/৬৭

## বাৰিষা আহিলত

অসমৰ আকাশত মেঘৰ গাজনি
বাৰিষাৰ পাতনি মেলে
তাতেই সুৰমিলাই অসমৰ হাবিত
সুগন্ধি ফুল ফুলে ।
অসমীৰ পথাৰ হালৰ ফালেৰে চিৰাচিৰ কৰি থয়
আকাশৰে পৰা পানী পৰিলে লখিমী ভৰ লয় ।
পথাৰত ধান, বাৰীত জীকাভোল
উপচি উপচি যাব
ফলে ফুলে পাতে সকলোফালে
জাতিষ্কাৰ হৈ উঠিব ।

১২।২।৬৭



## ভিখাৰী

বোচৰী ভিখাৰীৰ মাতত ফুটিছে
বহুদূৰ বাট বুলাৰ ভাগৰ
দূৰ্দ্দশাত মৰহি যোৱা মনৰ জ্বৰ
ভিক্ষাদিয়া বুলি বাস্তৱৰ দাবি শুনি ঘূৰিফুৰাৰ গ্লানি
আৰু নিজৰ দুখ মনতে মাৰ নিয়াৰ বাধ্যবাধকতা
তথাপি জীয়াই থাকিব লাগিব
এয়ে তাইৰ দৃঢ় ধাৰনা ।
তাইৰ দুখ কোনেও নুশুনে, একমাত্ৰ ঈশ্বৰৰ বাহিৰে
কাৰণ
যদিও চতৰ আধগৰমৰ দিনএটাত তাই বহুমাইল ঘূৰে
পৰ্ব্বতৰ কামে কামে আৰু পথাৰৰ পকাচপৰা ভাঙি
তথাপি তাইৰ আনন্দ শূন্যৰ ঘৰত নহয়
প্ৰকৃতিৰ বা বতাহ, নিৰ্ব্বিকাৰ হৈ ফুৰাৰ আনন্দই
তাইক নাচি নাচি কয়
জীয়াই থকাত আনন্দ আছে ।

৪।৯।৬৬

## ৰেল খনৰ চৰিত্ৰ

গাড়ী আহিছে পশ্চিমৰ পৰা
মহা প্ৰকাণ্ড যাৰ ধুৰা
নানা ঠাই ঘূৰি ফুৰি
মহা হুৰমুৰ কৰি ।
এঠাইৰ সমৃদ্ধি আনি আন ঠাইত বিলায়
ইঠাইৰ ধান চাউল বোকোচাত লৈ ফিৰি যায়
কাৰণ কেৰেণ্ডাৰ আকৃতিৰ এই গাড়ীখনে
'বাণিজ্য বসতি লক্ষ্মী' ই কথা জানে ।
আগডোখৰত আছে এটা ইঞ্জিন কথা দাংকোপমৰা
মানুহে সোধে বোলে 'ভাগৰ নলাগেনে তোৰ
তই যে ইমান ঠাই ফুৰা ।
ষ্টেচন এৰিব হলে ই 'পু' এটা মাৰে
তাতেই বুজিব লাগিব যে ই এতিয়া চাৰে ।
বুবুজিলেও কিন্তু ই চো চো কৈ ধোঁৱা এৰি দিব
চাই থাকোতেই কিন্তু তোমাৰ আগৰ পৰা
অন্তৰ্দ্ধান হব ।

৪।৯।৬৬



Dr. Malinee Goswami
Professor & Research Guide
Dept. of Assamese
Gauhati University

## সপোনটো

পূৰ্বতী বিশাৰ ৰং যেনে ধোৱা ৰৰণীয়া
সুমেৰুৰ পৰা অহা বতাহজাক যেনে ৰৰকসনা
চাহাৰাৰ বালি যেনে পুৰি মাৰা
তেনে এটি মই সপোন দেখিছিলো
ক'লা, বগা, নীলা, চেচা আৰু সেমেকা ।
সপোনত ভৰা হৈছিল
এনে দিন মই সহো কেনেকৈ
সপোনত ভাব হৈছিল
চকু মুদি দিবৈল ।
কিন্তু এতিয়া
সংশয়, ভয়, সকলো গ'ল
আৰু সকলো সহজ হ'ল
ৰৈ ৰলো বাহুদ্বয়োৰ মই লৈ আগত
সাহস এই বাহুবলৰ ।

২০।১১।৬৭

Dr Malinee Goswami
Professor & Research Guide
Assamese
Gauhati University

## জীৱন কবিতা

কবিতা লিখিম বুলি ওলাইছো
কিহৰ কবিতা লিখো ভাবিছো
লিখিম নেকি শোকৰ কবিতা
শোকে তাপে মন বুঢ়া কৰা
বেদনাৰ দীৰ্ঘ নিশ্বাস ভৰা
লিখিম নেকি কবিতা
দলিত হিয়াৰ অস্ফুট আৰ্তনা ভৰা
কি ভাল পাম
লিখি দুখৰ কবিতা
মুখৰ হাহিখিনি মচি
বেদনাৰ কথা জনাই লাভ নাই
থও অন্তৰতে সাচি ।
মানুহটো আহিলে হাহিটোৰে কম
মোৰ একো দুখ নাই
বহিব দি আদৰেৰে মাতিম
আহা বুকুৰ ভাই
লয় হব দিম অন্তৰৰ ব্যথা
হাহিৰে পাতিম কথা,
আশাভৰা মধুৰ গান আলাপেৰে
উজাৰিম হিয়াৰ ব্যথা ।

১২।১২।৬৭



## চন্দ্ৰালোক

যাম উৰি নীল আকাশৰ সুদূৰ চন্দ্ৰমাৰ দেশলৈ বিচাৰি
 পৃথিৱীৰ সকলো জঞ্জাল পাহৰি
জিক্‌মিক্ মেঘমালা তাকো ফালি যাম
 আকাশ উজাৰি ।
পৃথিৱীৰ সকলো মায়া, পঙ্কিল এই যে কায়া
 মাথোন বন্ধনৰ কাৰণ
এই যে ৰশ্মিৰাশি, জলমল কৰিছে হাহি
 সুন্দৰ শীতল পূণ্য গঙ্গাজল এই যে মুক্তিৰ বাহন ।
এই পূণ্য আলোকত ফুলে নানাবৰণৰ নানা সুৰভি
 ঋষিৰ লাভ হয় দিব্যজ্যোতি
হিয়া আপ্লুত কৰা চন্দ্ৰালোক ত্যজি
 কুৰুচি কথাত মজে কিনো হীনমতি ।
হে চন্দ্ৰমা, তোমাৰ আলোকেৰে
 বিলোৱা হিয়াত স্বৰ্গীয় আভা
হক মানৱৰ আতমা, তোমাৰ আশীষেৰে
 প্ৰেমময় পবিত্ৰ আৰু নিকা ।

২১।১।৬৭

## শীত

শীত পৰিল
হাড় কপিল
গছৰ পাত সৰিল, মুদা হ'ল
কেৰেঙা মেলি আকাশলৈ চাই ৰল

☆

শীতত আনন্দ আছে
জোকমহ পোক পঙ্ক গুছে

★

আকাশত শেৱালীৰ হালধীয়া ৰেণু উৰে
আৰু হালধীয়া পখিলাটি উৰি ফুৰাৰ দৰে
মন মোৰ পাখি মেলি উৰি ফুৰে

☆

এনে শীতত
গুচক হিংসাদ্বেষ শঙ্কা মনৰ পঙ্ক
হওক বিৰৰ বিকাশৰ, হক্ মহাৰঙ্গ ।

২১।১।৬৭



## কলা মেঘ

গম্ভীৰ জটাধাৰী ঋষিজনে এদিন
সোনৰ অসমখনৰ চাবলৈ বৰ ইচ্ছা কৰিছিল ।
তেওঁৰ উৎপত্তি বহল নীল সাগৰতেই
এদিন তেওঁ মনৰ হাবিয়াস পূৰাবৰ নিমিত্তে
অসমলৈ উৰি আহিল ।
অসমে তেতিয়া হা পানী হা পানীকৈ চিঞৰি আছিল
ঋষিজনে অসমৰ দুখত কান্দি পেলালে
সেই কান্দোন কিন্তু ভালৰ নিমিত্তেই হৈছিল
অসমৰ নদনদী উপচি পৰিল
পথাৰত দেখা গল পকাধান,
বিলত মাছ সকলোতে আনন্দ
কিছুদিন থাকি ঋষিজনে অসীম তৃপ্তিৰে
গুছি গল নীল সাগৰলৈ
ইচ্ছা হলে তেওঁ পুনৰ আহিব ।

৩। ৮।৬৩

## ডিভেলুৰেচনৰ পাচত

টাউনলৈ ফুৰিবলৈ গৈছিলো
ৰাস্তাতে ভিজাটেবুলৰ গোন্ধ পালো।
ভিজটেবুলত ভজা বিমকি কিখনে
মোক খা মোক খা কৈ বাটকুৰাক মাতে।
দাঁতৰ মাজত দি ভালকৈ চিপামাৰি
দিয়ে যদি, টানি টানি
এটুকুৰা দুটুকুৰা ভিতৰত ৰলে
কাপোৰ চবাৱা দি চোবাই গিলি থলে
পেট উপচাই বাহিৰ ওলাই আহি
পৰি যাওঁক দীঘল দি বিচনাৰ ওপৰে।
তাতেই বৰ দাম, একবাৰ বুলাব নাম,
দু অনাও কমকৈ কব, তিনি অনাত এটুকুৰা পাব।
তাকে আপুনি খাই পৰম হৰিষে
দীঘল দি পৰি যাওঁক বিচনাৰ ওপৰে।
ভিভলুৰেচনে আনিদিলে সোন যেন দাম
আগৰ এটকাৰ নাই আৰু কাম।
ভিজটেবুলৰ টিং এটা বহুদাম দি আনি
জোঙা বাহৰ কাম্বিৰে দি দিয়ক হানি,
আধুনিক সমাজকৰ্মীবোৰে
আধুনিক টাউনৰ কল্পনা কৰে
হক তাত এখন ৰঙা চাইনবোৰ্ড থকা ডায়েৰি;
পূজা আহিলে ঘৰলৈ গলে খাম বিমকি মজা মাৰি।

২৫।১০।৬৬



## স্মৰণীয়া পৃথিৱী

তাতো সুৰুজে একেদৰেই পোহৰ দিয়ে
তাতো চন্দ্ৰই একেদৰেই ফুলপাহি শিতলায়।
তেন্তে কিয় সেই ঠাই তোমাৰ আচহুৱা যেন লাগে?
কোনো এটা চুক যেন লাগে?
তাত যদি তুমি জন্মিলাহেতেন
চুক বুলি নকলাহেতেন
কলাহেতেন ই মোৰ আদৰৰ ঠাই,
ইয়াৰ মাটিৰে মোৰ শৰীৰ গঢ়া
ইয়াৰ বায়ুয়ে মই সেবিছো সৰুৰে পৰা।
পৃথিৱীৰ মধ্যকতো নাই, আছে যদি ই কল্পনাৰেতৰা
মৰম বিলাই, শ্ৰদ্ধাজনাই সকলোকে আপোন কৰা।

২৭।১০।৬৬



Central Library
Assam Women's University
Accession No.: 635
Date 10/02/22

## এছাটি বতাহ

এদিন বিজম্ব বিশা
বইছিল বতাহ এজাক
বতাহ জাকেই আছিল বিশাৰ আকৰ্ষণ।
কিয়নো ই আহিছিল মানুহৰ দুৰ্ভাৱনাবোৰ উৰাবলৈ
যেন সাগৰত পালতৰা নাওৰ পাল ঠেলিবলৈ।
সেই বিশাৰ মহিমাও মিহলি হৈ আহিছিল
বতাহ জাকতে
কাৰণ তেনে বহু বিশা যায় যিবোৰ মানুহৰ
হা হুতাশে ভৰা;
সময়ৰ বাম টাণ্ডাব, আজোৰা কামোৰা
সেই বিশা সেইবোৰ নাছিল।

৬।১১।৬৬



## ঊষা

হেৰা ঊষা,
মনৰ কালিমা মোৰ ধুই দিয়া,
মোৰ মনতো হক সূৰ্যোদয়
নৱজ্যোতিৰ উদয়, আৰু হক
সীমাহীন নীলিম আকাশৰ বিচিনা
উৰি যোৱা কোনো দেশলৈ অজানা
মোৰ মন হক মহাসাগৰৰ দৰে অটল
অবিচল, স্বচ্ছ আৰু বিমল।
সেউজীয়া পাতৰ ফাকে ফাকে
সূৰুজৰ কিৰণ নমাৰদৰে
মোৰ মন হক জ্বলাচল
পদুমৰ ফুলটি ফুটি উঠাৰ দৰে
হক মোৰ আতমাৰ জাগৃতি।
বগা কৰবিৰৰ সৌৰভৰ দৰে
বিলাও যেন প্ৰেম মাধুৰী।

৭।১২।৬৬

## হাহিম বোলা ঠাইখন

প্ৰতিটো পিকনিক পাৰ্টিয়ে মোলৈ আহে
মই হাহিম নে কান্দিম ?
কিয় কান্দিম ? হাহিম ।
প্ৰতিটো পিক্‌নিক পাৰ্টিয়ে বোকোচাত খোৱা বস্তু আনে
মই হাহিম নে কান্দিম ?
কিয় কান্দিম ? হাহিম ।
তেওঁলোকে হাহে, ঢোল বজায়
মই হাহিম নে কান্দিম ?
কিয় কান্দিম ? হাহিম ।
তেওঁলোকে এৰি যায় আনন্দ
আৰু তাৰ প্ৰতিধ্বনি
তোলে মোৰ প্ৰাণত শান্তি এধানি
সেইবাবে মই নেকান্দো, হাহো
হাহিছিলো আৰু হাহিম ।
কিয় বা কান্দিম হাহিম ।

৭।১২।৬৬



## গদাধৰ

'মই জনা নাই
কিয় মোৰ মনত আজি বিষাদৰ অনন্ত চাহাৰা
পিয়াহত হিয়া শুকোৱা, মৰুদ্যান বিচৰা,
তপত লোৰে পোৰা, শিল এডোখৰ
জীৱ নাই জৰজথৰ।'
গদাধৰে মনতে ভাবিলে
'দিও নেকি এটা হাবি বিদৰা চিৎকাৰ,
ওহো ! পণ্ড হব সকলো,
কাৰণ হব চুৰমাৰ।'
জেৰেঙালৈ যাও, নগাৰ বেশে,
কৈ চাম এবাৰ হও যদি হম নাশ ।

★

অশেষ যন্ত্ৰনা হেৰি বেচেৰী
নালাগে সহিব, কি কব লাগে কৈ দিয়া সিহতক ।
কিন্তু ওহো উত্তৰত নাই অলপো দুৰ্ব্বলতা ।
'তেন্তে এতিয়া ?
মই যাওঁগৈ, মোৰ উদ্দেশ্যৰ পাচত লৰোগৈ
নাই আৰু অন্যথা'
গদাধৰ উলটিল ।

৪২।১২।৬৬

## বতাহে বৈ আনে কৰ্ত্তব্যৰ বতৰা

কি যে সুন্দৰ বতাহজাক বলিছে !
নিশা গভীৰ হৈ অহাৰ লগে লগে ।
পোকপৰুৱাই সিহঁতৰ সৰু সৰু মাতেৰে
চিঞৰি নিশাটো উজ্জাপন কৰিব ।
সম্ভৱ বৰষুণ হব ,
এচপৰা কলীয়া মেঘ পশ্চিম আকাশত দেখা গৈছিল ।
সেইবাবে কিছুমান স্থলচৰে ভাল পাইছিল
গাত বা লগাই সিহঁত ফুৰিছে
কিছুমান চৰায়ে কিন্তু ভয় খাইছে
কাৰণ সিহঁতৰ ঘৰ এতিয়াও হোৱা নাই সজা
খৰালীৰ খৰাং বতৰত ঘৰ সাজিবৰ আৱশ্যক নাছিল ।
বৰষুন আহিব যেতিয়া ঘৰ সাজিব লাগিব
এই ধাৰনা লৈ ৰাতিটোলৈ সিহঁতে বাগৰ দিলে
পুৱা উঠি নতুন কামটোত লাগিব ।
এয়ে সময়ৰ আবশ্যকতা
কৰ্ত্তব্যৰ বতৰা ।

৯।২।৬৭



## পকাধানৰ পথাৰৰ মাজেদি

পকাধানৰ পথাৰৰ মাজেদি যাবলৈ মই বৰ ভাল পাও
কেৱল হালধীয়া ধাননোৰে ৰদত জিকমিকাই থকা
বাবেই নহয় ;

নীলিম আকাশখনে নীলা ৰং পথাৰলৈ
চটিয়াই দিয়া বাবেও ।

ক'ণ ক'ণ চৰাই কিছুমানে মোৰ কাষেদি
ছুৰ ছুৰকৈ উৰি যায় ।

মই গৈ থকা ৰাস্তাটো সৰু হলেও মসৃণ ।
পৰিব্যাপ্ত ধানে ভৰা ধাননীৰ দুই মূৰ আহি
ৰাস্তাটোৰ চুইছে দুই কাষ ।

বৰবাৰ পৰা মলয়া বতাহ এজাক আহি
হালধীয়া ধান ডৰাত ঢেও দি যায় ।
ওপৰৰ পৰা চিলা আৰু বালিমাহিৰ চিঞৰে
তাতে বাহীৰ সুৰ বৰষি যায় ।
পৰ্ব্বতৰ পৰা লক্ষ্মীয়ে মিচিকিয়াই হাহি এটা মাৰি
স্বস্তিৰে হুমুনিয়ায় ।
গধুলিৰ আগে আগে এই হুমুনিয়াই
ধানদৰা শুৱায় ।

১৬।৬।৬৭

## বসন্ত আহে

নতুন চৰাইৰ আগমনে
নতুন বতৰৰ বতৰা আনে
নতুন বসন্তৰ ৰঙাৰঙে
গছগছনি বিৰিঙে ।
নতুন ঋতুৰ নতুন আবেদনে
নতুন সিহৰণ তোলে
কোমল নতুন গছপাতত
( সবিতাই ) সুবৰ্ণ কিৰণ ঢালে ।
বহুৰঙৰ বহুফুল বহুবনত ফুলে
বহুৰসৰ বহুগুনৰ ক্রিয়া প্রতিক্রিয়া তোলে ।
সেয়েহে বসন্ত যৌবন উজ্জ্বল।
( প্ৰকৃতিয়ে ) আনন্দৰ কত গাথে মালা
ফুলেপাতে জাতিকাৰ
সুৰৰ সমাহাৰ
সকলোৰে তোলে মনৰ মাজত
আনন্দৰ হেমহাৰ ।

৫।৪।৬৯



## শৰতৰ আবেদন

আহাহা শৰতৰ কি আবেদন ?
পিন্ধে আমাৰ বদন
শৃঙ্খল আমাৰ মন
সুন্দৰ আমাৰ তনু
( যেন ) শ্যামল কানু
ফুলাম আমাৰ উদ্যান
নদনদী ভৈয়াম ।
সুখৰ ই ৰাজ
সৌন্দৰ্য্যই কৰিছে বিৰাজ ।
সুন্দৰ পথাৰ বিবাদ
উদ্ধাউল আমাৰ প্ৰাণ ।
আগৰে আমাৰ যাত্ৰা
পিচত আমাৰ আগুৱাৰ বতৰা
আমি আগুৱাই যাম
প্ৰকৃতিৰ, বুকুলৈ যাম
উদ্ধাউল হৈ তটিনীৰ তীৰত
আগুৱাম আগুৱাম আগুৱাম ।

১৯।৯।৬৭

# শেষ ৰাতি

জেচাৰ কুলু কুলু ধ্বনিয়ে
ঘন নিশাৰ শীতল বতাহ মুখৰিত কৰিলে
পুৱতি নিশাৰ বগা পোহৰ
ধূলি হৈ প্ৰতিবিম্বিত বিয়পি পৰিলে।
ৰঙা সুৰুজ হল আবিৰ্ভূত দুৱাৰ দলিত।
আচলভৰা ৰঙা ফাকুগুড়ি আহি
পৰিল শোৱা শেতেলিত।
চামে চামে চৰাইৰ গান শুনা গল
হিমালয়ৰ হিমকণাৰ সিচৰতি হল।
কোবোবা এজাক হাহে ঢাপলি মেলিলে
বকুলবনত পৰি বকুল ফুলে মালা গাঠিলে।
ভোমোৰাৰ গুঞ্জন হল মধুমিঠা মধুৰিমা
উষাৰ গৰিমা গাহ্ন হয়, সুন্দৰৰ সাধনা
এই উষা আদিচোৱা নিশাৰ শেষ
দিন নিশাৰ মিলনৰ আশিষ বিশেষ।

২৮।৭।৬৮



# সূৰ্য্য বন্দনা

দুৰ্দ্দাম গতিত আগুৱেৱা
হে ৰক্তাক্ত সবিতা
সপ্ত ঘোৰাত উঠি
কলৈ যোৱা, দিবানে তাৰ বতৰা ?
নিতাল এই নিমাখিত ভূমি
ঢাপলি মেলিছা ইয়াৰ মাটি চুমি
দিবানে তোমাৰ বতৰা
মোক তুমি ?
ঘোৰ অন্ধকাৰ কৰা ডাৱৰমালা
তোমাৰ পৰশত হৈছে উজ্জ্বলা
কলা ডাৱৰ ৰঙা হৈ পৰি
তোমাৰ ফালে গৈছে উৰি।
হে কৰ্ম্মৰ প্ৰতীক বিশ্বকৰ্ম্মা
তোমাৰ অবিহনে এই বিশ্ব অকৰ্ম্মা
অদ্ভুত শক্তিৰ উৎস তুমি
তোমাৰ অবিহনে নাই এই ভূমি।
তোমাৰ শক্তি ভাগ ভাগ কৰি
উৎফুল্ল হৈছে আজি এই ভূমি।
শত নমস্কাৰ হে সূৰ্য্য দেবতা
জগতৰ প্ৰাণ, শক্তিৰ আধাৰ তুমি জগতৰ পিতা।

১২।২।৬৯

## বসন্তৰ ধুমুহা

পমাৰ গুটি সৰোৱা বসন্তৰ ধুমুহা
আহিল পাখিমেলি এদিন আবেলি
ফাগুন মাহৰ ফাকুৰুলিয়া বদালি
গল গুচি
জাকে জাকে শালিকাবোৰে মোহৰ মোহৰ কৰি
উৰিছিল মনৰ হিল্লোলত ধুমুহাত পাখি মেলি ।
এখোপ দুখোপ জাবৰ জোথৰ হল একাকাৰ
উৰি গল পোনে পোনে বতাহত ঘূৰি বৃত্তাকাৰে ।
সেউজীয়া বননিৰ বিৰিঙাৰ পাতবোৰে
উতনুৱা নাচ দিলে পেলাই ওৰনি,
দালত পৰি আছিল গঙ্গাচিলনী
ঠিৰ আকাশত উৰিল ধুমুহাত গাঠেলি ।
ধুমুহা আহিল আৰু বসন্ত নামিল
আচম্বিতে মালবৰ মনত পুলক জাগিল !

৬।৩।৬৬



## শৰতৰ শেৱালি

আজিৰ গধূলি সুখৰ বতৰ
শৰতৰ শেৱালি মনোমুগ্ধকৰ
বগা বগা সৰুফুল তলত পৰি আছে
হালধীয়া পখিলায়ে ওপৰত উৰিছে ।
শেৱালীৰ প্ৰচুৰ গোন্ধ বতাহত ভাহে
হালধীয়া বেথুবোৰত এই গোন্ধ থাকে ।
ফুলবোৰ গোটালে এছাটি বতাহে
থুপি হৈ পৰি ৰল দুবৰীৰ কাষতে
লাহে লাহে ধৰণীত ৰজনী নামিল
আকাশত জোনটিয়ে হাহি এটা মাৰিল ।
সেই জোনৰ পোহৰত নিয়ৰ সৰিল,
চোকা পোহৰত জোনাকী উৰিল ।
জোনাকীৰ কম পোহৰ ফুলটিৰ দৰে ।
বিজুলীচাকিৰ দৰে ফুলথুপীত পৰে ।
লাহে লাহে আকাশত বগাডাটি দিলে
জোনটিয়ে শেৱালীত বিদায় মাগিলে ।
নিয়ৰৰ কণাবোৰ গধুৰ হৈ পৰিল
শেৱালীৰ গাতে গা মিলাই থাকিল ।
ৰাতিপুৱা শেৱালীবোৰে সূৰুজ দেখা পালে
আনন্দত ৰাতি কটাই সূৰুজ সাদৰিলে ।
এইদৰে শৰতৰ শেৱালীবোৰে
প্ৰকৃতিৰ মিতিৰৰ প্ৰেমালী কৰে ।

৩।৫।৬৬

# এদিনাখন গধূলি সোণোৱালী ক্ষণ এটিত

এদিনাখন গধূলি সোণোৱালী ক্ষণ এটিত
ৰঙেৰে বৈছিলো নৈৰ দাতিত ।
কৰবাৰ পৰা অহা ডাৱৰ এডাখৰে
আবৰিছিল ৰঙা সূৰুজ অতি আৱেগেৰে
ইফালে ফুলৰ এজাক আছিল কাষতে
নৈ অসংখ্য ৰঙিন ফুল উলাহেৰে বোকোচাতে
মাজে মাজে মলয়াত ভাহি অহা ৰেণুবোৰে
সুগন্ধ বিলাই যায়, হিয়া আবৰে
গধূলিৰ আকাশৰ তেজীৰঙা আবিৰে
চকু মোৰ আগচি ধৰে মৰমেৰে ।
সেউজীয়া থোক্‌ধৰা ধাননিত ঢৌ তুলি
শীতল বতাহ এছাটি আহে বুলি বুলি ।
বসন্তই ঢৌৱাই যোৱা বৰ্ষাৰ পানী পোৱা গছগছনি
ডাঠ সেউজীয়া পাতবোৰক লৈ নাচিছে ঠানিঠুনি
এদিনাখন আকিছিলো প্ৰকৃতিৰ দৃশ্য এটি
সূৰুজৰ আভা থকা
ৰঙৰ টেমা আনি আৰু এটি আকিছিলো ছবি
হাৱিৰে ঢকা

ঠিক সেই একেছবি প্ৰকৃতিয়ে আজি আকিছে তাকে
মোৰ লেণ্ডস্কেপত অপূৰ্ব্বধৰণে আৰু
জীৱন্ত ৰূপে ।

২৬।৭।৬৬



# মই কণা

যদিও দেখিছো, মই দেখা নাই
দৰা চলতে বহুত দেখিছো
হাতত লাখুটি লৈ বাটত বুলোতে
আকাশৰ তৰাবোৰ মনতে আকিছো ।

যদিও ভাবিছো, মই ভবা নাই
বহি বহি খুজিছো মাথোন
বেল ইঞ্জিনটো কেনেকৈ চলে
ভাবি ভাবি পাইছো দেখোন ।

যদিও হাহিছো মই হহা নাই
চকু নাই চকু নাই বুলি
সদায় হাহি থকা চিদানন্দ জনক
গুনি গুনি হাহিছো মই ।
হাকুটিৰ ওপৰত ভৰ দি যাও
আহোতে তেনেকৈয়ে আহো
পৰম ঈশ্বৰৰ কথাকে শুৱৰি
চকুলোৰে দুখ ভাহো ।

২২।৬।৬৪

# সেই পগলাটো

নিতে নিতে নতুন শিশুৰ এটা জাকে
পাচে পাচে ঘুৰি ফুৰে সেই পগলাৰ
পগলাৰ এটি গুণ সি কাকো নামাৰে
মেৰমেৰীয়া গোফ তাৰ শিশুৰ চকুত লাগে ।
যি দৰে গড়ৰ পিঠিত ফুৰে চিৰ্কতি
সেইদৰে শিশুবোৰে পগলাৰ পাচত ফুৰে
পগলাৰ গোল চকু, শিশুৰ আশ্চৰ্য্যৰ বস্তু
ৰ লাগি চাই থাকে পগলাই কেনেকুৱা কৰে
মুখখন পেকেটাই দাড়িকোচা মোহাৰে ।
কিবা বলকি সি যায় নিৰবে
থমকি থমকি সি শিশুজাকক ডৰে ।
শিশু জাকেও ফুৰে আতৰে আতৰে
(ভয় যেনিবা কিবা কৰে) ; কিন্তু সিহত
আৰু নাযায় পলাই, চাই থাকে ৰ লাগি
কৰে কেনে পগলাই ।
দীঘল হলো চোলা উদাসীন নৰ
চুলিৰ আগেদি কত যায় বৰ্ষা নাই ডৰ ।
আছিল এসময়ত সি এখন ঠাইৰ লোক
জনাবুজা সকলোৰে লগৰ
তাত তাৰ নিচা নহল, এৰিলে এদিন
বননিৰ আহ্বানত সি হল ননত বিলিন
[illegible]বৰ জোখৰ সি মুৰে গায়ে লয়
লোকে তাক পগলা বুলি কয় ।



শিশুৰ কোমল মনে কিন্তু তাক সাদৰে
পিচে পিচে গৈ তাৰ গুৰুত্ব বুজায়
শিশু কেইটাৰ প্ৰতি সি কিয় ইমান কোমল
তাৰতো মাথা খাৰাপ শৰীৰ বিকল ।
এদিন এনেকৈ থাকি মৰি গল পাচে
পাহাৰৰ বগৰীৰ তলত পৰি আছে
শিশুৰে কোনোবাই খবৰ আনি দিলে
'পগলা মৰিল আজি বগৰীৰ তলতে ।'

---

১৭।৩।৬৬

## মেঘ চপৰা

মেঘৰ গুৰু গুৰু শব্দ
প্ৰকৃতিৰ বিধি যে জব্দ
মন মোৰ হয় হৰষিত,
আকুলিত আৰু স্তব্ধ
বিজুলীৰ চিকমিকনি
চকু মোৰ ধৰে সাবতি
দেখি তিৰবিৰণি আৰু শুনি ঢেৰেকনী
মন মোৰ হয় পুলকিত অতি ।
বৰষুণৰ ঝৰ ঝৰণি
ভেকুলীৰ আকুল বিননি
বাহিৰত চ,পচ,পনী
যাবলৈ নোৱাৰিযে কলৈকো
সকলো পিনে যে পানী

১৪।৩।৬৪



## …ক আৰু স্বৰগ একেডাল গছৰগুৰি আৰু আগঠুৰি

এদিন সন্ধিয়া ৰাজআলিত যদি
এবাৰ মাৰা তুমি এটি ভুমুকি
দেখিবা এনে প্ৰাণী অসংখ্য অগণন
যি আৰু মৰি গৈছে, যাৰ গৈছে প্ৰাণ ।
অসহ্য বেদনা আৰু দুৰুহ যন্ত্ৰণা
মুঞ্জা পৰি শুকাই গৈছে যাৰ কামনা বাসনা
কেবল ঘুৰি ফুৰিছে মাত্ৰ প্ৰাণটোকে লৈ
মৰো জীও সোঁ অধিকৈ । এয়া মানুহৰ এটা চিত্ৰ ।
আমি জানো সকলো প্ৰকাৰৰ মানুহ জগতত আছে ।
সুস্থ্য সবল আৰু তাতোকৈ ভাল
কত মানুহ আছে তাকো দেখা পাবা
যদি এদিন গধুলি তুমি ৰাজআলিত এটি ভুমুকি মাৰা
মানবতাৰ ই প্ৰকাশ অন্য এটা চিত্ৰ ।
কেনে সুন্দৰ সুচি মন
আকাশৰ তৰাযেন কৰে জলমল
যাৰ প্ৰকাশে কৰিছে মানবক শ্ৰেষ্ঠ অমূল্য সম্পদ
যাৰ আশাতে ৰইছে এই জগৎ
গাইছে মানবৰ গুণ গান, স্বৰ্গীয় বাজনা
তাতেই ৰইছে মানবতাৰ উদ্ধতম শেষ সীমা ।
এয়ে হল মানবতাৰ প্ৰকাশ, দুখ সুখৰ খেল
নৰম চৰমৰ মেলা, নৰক স্বৰগৰ এক সুত্ৰীতা
নৰক যদী অধম গুৰি স্বৰগ তাৰ উৰ্দ্ধতম আগঠুৰি ।

৯।৬।৬৫

## দিব্যজ্ঞান

এদিন ঘোৰ অন্ধকাৰ নিশা
টিম্‌কি-ঢামাক এটি পোহৰৰ শিখা
দূৰত দেখি ঠমকি ৰলো
যিদিনা মই অজানা স্তৰলৈ অকলে গলো ।
এদিন ঘোৰ অৱচ্ছন্ন দিবা
বিমর্ষ হৃদয়ে ভাবিছিলো কিবা
বিজুলীৰ দৰে দীপশিখা এটি মনৰ মাজত পালো
যিদিনা মই অজানা ভাবত অকলে বুৰিলো ।
উৰিযোৱা সময়ৰ মাজত আকাল তিমিৰাচ্ছন্ন হলে
ভমকি ভমকি দেহ যেতিয়া জ্বলে
পোহৰৰ, শিখাডালি জ্বলি উঠে
অবচ্ছন্ন, বিষন্ন নিশিথে নিশিথে ।

১২।৯২



## প্ৰকৃতি বলীয়া মন

এই যে প্ৰকৃতিবলীয়া মন মোৰে
নীল আকাশে আকাশে ঘুৰে
প্ৰকৃতিয়ে আকি দিয়া তিলক লগাই
মেঘদূত ঘুৰি ফুৰাৰ দৰে ।
এইযে প্ৰকৃতিবলীয়া মন মোৰে
দেশ বিদেশ নদ উপবন ঘুৰে
প্ৰকৃতিয়ে সানি দিয়া বোল লগাই
বগা বগলীজাকে ঢাপলি মেলাৰ দৰে ।
সৌযে আকাশত শুকুলা মেঘৰ আবৰণ
তাৰ তলে তলে সেয়া ডাঠ নিৰদৰে বৰণ
জ্যোতিৰেখা টানিছে তাত বিজুলী
ৰূপালী সোণালী উলিমুলি ;
এই যে সেইবোৰ বৰষাৰ ৰেখা
খাল বিল উপচিব আছে বৰ আশা ।
সুন্দৰ ভুবনত এই বৰ্দ্ধিত দিগন্ত ৰেখা
চিৰবৰ্দ্ধিত এই জ্ঞানৰূপ লেখা
সূৰ্য্য চন্দ্ৰ, গ্ৰহ নক্ষত্ৰৰ জন্মলয়ৰ স্থান
বিলাই যক ইয়াৰ নিজ জ্যোতিষ্মান ।

১৫।১।৬৮

## জঞ্জাল

অশেষ বোজা অশেষ আচোৰা
মনৰ মাজত
নানা বায়ুৰ নানা সোঁতে ঘূৰ্ণীবতাহৰ
কৰিছে সৃষ্টি

নানা খোকোঙালো নানা আকোঙালো
মনৰ মাজৰ
আচুৰিছে আচুৰিছে বহুৱাই
সাঁচ নখৰ।

যেন ক্ৰুদ্ধ শেনটোৱে
শত্ৰুক কৰিছে চিৰাচিৰ
যেন বাঘৰ ফুটুকীজনীয়ে হৰিণাক
কৰিছে ধূলিত বিলিন।

নানা আচোৰ নানা কামোৰ
খাই আগবাঢ়িছো
কিন্তু কোন পিনে ? সি মোৰ অজ্ঞাত
কোন পিনে মই নেজানো
হয়তো অন্ধকাৰ গুহাৰ পিনে
নহয়তো সাগৰৰ সিপাৰৰ মুকুতা বিচাৰি
নহয়তো ভূগৰ্ভলৈ, তাৰ উত্তাপত
সিজি মৰিবলৈ।

২১।৯।৬৭



## পথিক

সুদূৰৰ কোনোবা চাহাৰাৰ মৰুদ্যানত
গজিছিল খেজুৰ বহুত;
পৰিশ্ৰান্ত পথিকে বোজা বৈ বৈ বুটুলিছিল
মিঠা খেজুৰ।
অচিনাকী চৰাই এটি সুদূৰত বহি
গাইছিল সুৰ হিয়াৰ;
তীক্ষ্ণ ৰদত সিক্ত হোৱা ভাগৰুৱা পথিকে
দেখিছিল সপোন জীৱনৰ।
অতীতৰ এটি দুটি মধুৰ স্মৃতিয়ে
আনিছিল চেতনা শ্ৰান্ত পথিকলৈ
অতীত জীৱনৰ বাস্তৱ গল্পই
দিছিল নব উদ্দিপনা মনলৈ।
নতুন শক্তি নতুন ভাৱধাৰা
নতুন জল্পনা কল্পনা
কোনোবা মৰুদ্যানত বহিছিল এখন্তেক
ভাগৰুৱা এক বাটৰুৱা।

১৭।৫।৬৬

## গাওৰ আহ্বান

যায়; দুদিন পিচত হলেও যায়
মোৰ সেউজীয়া গাওঁখনে মোক মাতিছে ।
মোৰ গাওৰ মাটি ধৰিছে সম্ভৱ পচিৰ ।
বহাগ মাহৰ ঝৰঝৰীয়া বৰষুণে
মোৰ গাওঁৰ মাটি ডুবাই পেলাব ।
দুখীয়া খেতিয়কহঁতে তাত বিশ্চয়
খেতিৰ আখৰা মেলিছে
আৰু সম্ভৱ বসন্তৰ কুঁহিপাত
মোৰ গাওতো মেলিছে
আৰু সম্ভৱ কলাডাৱৰৰ মাজেৰে ৰঙালি পোহৰেৰে
মোৰ গাওক দিছে চুম্বন ।
আৰু সম্ভৱ মৈৰে পিহি সমান কৰি যোৱা মাটি ডবাত
ৰঙা সুৰুজৰ ৰঙা কিৰণ বিকিৰণ হৈ উঠিছে ।
যায়, আৰু সেই দৃশ্য চাই হেপাহ পলুৱাম ।

১০।৫।৬৪



## প্ৰকৃতিৰ চিত্ৰ

মুকলি পথাৰ
ডাইলৰ গছৰ মাজত তিল ;
আকাশ অন্ধকাৰ
বৰষুণৰ মাজত শিল ।
কলামেঘৰ মাজত ওলাল শুকুলা ডাৱৰ
প্ৰচণ্ড বতাহে এছাটিয়ে কৰিলে মেঘ আতৰ ।
মুকলি আকাশ,
তাৰ মাজত সুৰুজৰ সোণোৱালী ৰেখা ;
কুৱলিৰ প্ৰকাশ,
তাৰ মাজত গছপাতে বিয়ৰৰ সুবৰ্ণ ৰেখা ।

৯।২।৭০

## পৰিচিত বতাহ এছাটি

ঠিক এইজাক বতাহ যোৱাবাৰ এটি
ফাগুণৰ ফাকুৰুলীয়া সোণালী গধূলি
আমাৰ গাওঁৰ ওপৰেদি আহিছিল।
বতাহজাকৰ মূৰত ভাহি আছিল এচপৰা
কলীয়া চেংচেঙেলীয়া ডাৱৰ
বতাহজাক বৰ মিঠা আছিল।
ঠিক বেলিটোও ঘূৰণীয়া আচ,টোৰ
তললৈ যাবলৈ ধৰিছে।
আকাশখন:ৰঙা, হালধীয়া, নীলা হৈ
নানা ৰঙেৰে উপচি পৰিছে।

২৪।১২।৬



## পখিলা আৰু ফুলমাই

ঘুৰি ফুৰা পখিলাটিয়ে কলে,—

হেৰি মোৰ সোণকণ, জানিছো তুমি
মোক বহু ভাল পোৱা
হাতত তুলি তুমি মোক নিবলৈ চোৱা
কিন্তু তোমাৰ পৰশ যে মোৰ গায়ে বসহে
পাখিমোৰ আলসুৱা ধৰিলেই খহে।

ফুলমাইয়ে কলে –
তোমাৰ ৰং মোৰ বৰ ভাল লাগে
তোমাৰ ৰঙাৰঙে মোৰ হিয়া ৰঙিব কৰে
তুমি নাথাকিলে যে মোৰ আনন্দ নাথাকে
সেইবাবে মই যাও তোমাৰ লগে লগে।

পখিলাটিয়ে কলে,
তেনেহলে সোণ মোৰ, উৰি যাম তোমাৰ কাষলৈ
তুমি কিন্তু হাতেৰে নুচুবা।
দূৰতে থকা আমি দূৰৰে সখি
আহোতে যাওতে তুমি মোক চাই যাবা।

৩০।৮।৬৪

## অজান দেশলৈ অভিযান

শুনিছো ডাৱৰৰ সিপাৰে এক ধুনীয়া দেশ আছে,
শুকুলা দলিছা ভৰা, তাত পৰীয়ে নাচিছে।
বচোৰাৰ গোলাপে তাত সানে ৰহণ বোৰ
বাজে তাত ঘনে ঘনে আমেজভৰা নিশাৰ সুৰ।
কিন্তু হাত দিলে ই কিয় হয় চিৰাচিৰ
তপ্ত লো হয় কিয় মেৰুৰ তুষাৰ
তাৰতো নাপালো উত্তৰ, নিৰ্ব্বাক হলো
উৰ্দ্ধ অধঃ আগপিচ সকলোফালে চালো।
সেয়েহে এদিন মই স্তব্ধ হৈ ৰলো,
দৃষ্টি দিলো ওপৰলৈ দূৰদূৰলৈ
মোৰ দৃষ্টি গুচি গ'ল অজান লোকলৈ
আৰু মই গতিমান হলো।

১১।১২।৭২



## কল্পনা আৰু বাস্তৱ

ও, তুমি আহিলা,
নাকো আৰু ছবি
পেলালো এই তুলিকা
কিন্তু ছবি আৰু তুমি
কিয় প্ৰভেদ ইমান।

২৭।১।৭৫

## নতুনক সাবটি ললে

তোমাৰ এপিটাফ, আজি
হ'ল এটি পৰিধিকা চিগাৰেটৰ টুকুৰা,
তাকেই আলচি
কিয় বাৰু তুমি হোৱা আলসুৱা ?
গুচি যোৱা সপোনৰ যোৱা যদি পম খেদি
এন্ধেকুৱা বাটেৰে যাবা
এৰি অহা ধুলিখিনি লিবিকি বিদাৰি চাই
কিমানখিনি বাৰু লাভবান হবা ?
নতুনক সাবটিলে, নতুনক আদৰিলে
নবজাগৰণ আছে
পুৰণিক বিদায় দি আগবাঢ়ি যোৱা
সময়ে সন্মুখত হাহে ।
'অতীত মৰিগল, তাৰ কথা অন্ত হ'ল
অতীতক যোৱা পাহৰি ।'
অতীতৰ অস্থিত্ব বৰ্ত্তমানত ৰয়
যোৱা বাম বৰ্ত্তমানত কৰি
বৰ্ত্তমানৰ লগত নতুনক সুমুৱাই ললে
ভবিষৎ আপুৰিয়ে আছে
তোমাৰ সন্মুখত নতুনৰ উছাহে
বৰ্ত্তমান ৰূপে হাহে ।



## বিহঙ্গ সঙ্গ

ইপিনে চ'ৰাৰ মাত, সিপিনে কুকুৰাৰ
ইপিনে শালিকা আৰু সিপিনে ধুপধুপনি,
ইপিনে চৰাই-চ'কা সিপিনে হাহ বুকুৰা
কলমল মলকল পুৱাই গল ৰজনী
লাহে লাহে সময় যাব, দুপৰীয়া আহিব
চিলনীৰ দীঘল মাতে আকাশ বিদাৰিব
শেণৰ কঠোৰ মাতে প্ৰাণ টানি নিব
শগুণৰ বিকট চিঞৰত বিৰক্তি জন্মিব ।
কাউৰীৰ বিকট মাত কোনে যে শুনি ।
হাড়গীলাৰ দীঘল মাত শ্ৰুতিমধুৰ ধ্বনি ।
গধুলি হ'লে কিন্তু চৰাই চিৰকতি
গান ধ্বনি এৰি কিন্তু বাহৰৰ পিনে মাতি ।
নিশাচৰ বিহঙ্গৰ ৰাতি সমাৰোহ
উৰুলীৰে ফেচা ফুৰে হুদুৰ আক্ৰোহ ।

৩।২।৬৩

## প্ৰশ্ন

এচাম মানুহে
আলিবাটত কিয়
হাহাকাৰ কৰে ?
উৰণীয়া সময় ৰথ
অনুসৰণ নকৰি কিয়
উজুতি খাই পৰে ?
সিহতক লাগে কি
সিহতে বিচাৰিছে বা কি
কোনে সুধিছে ?
বুকু ভুকুৱাই
সিহতে আজি
কিয় দৌৰিছে ?
আছেনে কোনোবা এক
দেব দেবতা
দৌৰি আহি তুলি ধৰিবলৈ ?
আছেনে কোনোবা এক
দেবী অন্নপূৰ্ণা
সিহতৰ ভোক গুচাবলৈ !



## ৰূপৰ সপোনপুৰী

ৰৰষাৰ সৰষা ৰৰমুণৰ ভেদ ভাঙি
আহিলে ওলাই আজি হেমন্তৰ প্ৰথম ৰাতি
সোণ্‌ৱা ৰূপৰ কাঁহি জোনবাইয়ে মাতিলে হাঁহি
ৰচিম প্ৰেমৰ সপোন সেই ৰূপৰ কাঁহি ভাঙি ।

জোনবাই জোনবাই ৰূপ অলপ দিয়া
ধৰিত্ৰিত চতিয়াই দিও
উঠক গজি ইয়াত ৰূপৰ গছবন
সপোনপুৰী সজাও ।

যি পুৰীত নাই দৈত্যদানবৰ দল
কদাচাৰ কুকৰ্ম্ম হয় হীনবল
অক্ষয় অমিয়পুৰী সি
নহয় ৰাৱণৰ কাম্যস্থল ।

২০।৯।৭৫

## কুণ্ডিল নগৰ

( ভীষ্মক নগৰ )

কুণ্ডিল নগৰ ,ও সেই কুণ্ডিল নগৰ
নুৰজীৰ মেটমৰা বোজা
বোকোচাত লৈ
দি দিছা তুমি বুকুৰ উম ।
কুণ্ডিল নদীয়ে যে
ধমনীৰূপে গৈছে বৈ
তোমাৰ চৰণ পখালি ।
ৰুক্মিণী হৰণত হাল মিলাই
পাইছিলা ঈশ্বৰৰ চৰণৰ পৰশ
ধন্য হৈছিল সিদিনা কুণ্ডিল ভূমি
ৰাখিছিলা ভাৰতৰ মান ।
বখানো তোমাৰ গৰিমা
বখানো তোমাৰ সন্মান ।



## স্বভূমি

এই মাটিৰ গোন্ধ কি মহান
স্বস্থান, স্বদেশ আৰু স্বভূমি
“স্বৰ্গতোঅপি গৰিয়সী” ।
ই মোৰ বুকুৰ অতি চেনেহৰ
ইয়াৰ বতাহেৰে সজীৱাইছো দেহমন ।
মৰিলেও যত আছে প্ৰশান্তি
তৰিলেও যত আছে গৌৰৱ
সেই মাতৃ মোৰ
“জননী জন্মভূমি” । ★

২৪।৮।৭৭

★ ...ক কবিতাটো ডিব্ৰুগড় বাৰ্তা’ -ৰ (১-১৫ চেপ্তেম্বৰ ১৯৮৫)
...বম সংখ্যাত প্ৰকাশ পাইছে ।

## ধন্যজীৱন

ভৰাই দিয়া এই পৃথিৱী
ইটা গুড়িয়েদি
তাত চিমেণ্ট শিলেৰে
কৰি দিয়া টান এই ক্ষয়িষ্ণু
বালিছহীয়া মাটি।

আৰু তুমি মুক্তিৰে বিশ্বাস পেলোৱা
বহু কৰিলা বুলি
ধন্য তোমাৰ জীৱন বুলি ।
কিন্তু, কিয় হায়, অন্তৰত জন্ম হৈ যায়,
কলা কজাললেখীয়া তেজ।
বুকুখন যেন ডাঠ চিমেণ্টৰ দৰে
হৈ যায় পাশান,
হৈ যায় আগ্নেয়গিৰিৰ লাভা ।
আৰু তাৰ পিচত !
হৈ যায় তাৰ পিচত সকলো খটম, । ★

•উক্ত কবিতাটো 'ডিব্ৰুগড় বাৰ্তা'ৰ -৩১ আগষ্ট ১৯৮৫ ই প্ৰকাশ পোৱা সংখ্যাত প্ৰকাশ পাইছে ।



২৩।১২।৮৩

## বাস্তৱ তাড়না

কুৱলীৰে ঢাকি যোৱা
নিদ্ৰামগ্ন ৰাতিপুৱা
নিসঙ্গজনৰ বাস্তৱ তাগিদা
নিঃসঙ্গভাবে আগবঢ়া
দিঘলীয়া খোজ
ষ্টেচনত গাড়ী ৰোৱাৰ পূৰ্বাভাস ;
বাস্তৱৰ তাড়না
বতাহত ভাহি অহা কাৰোবাৰ 'কাহ'
কি যে বিকট লাগে,
মানুহৰ 'হাঁহি'
শুই থকা সিহঁত কিমান সুখী ।
মইহে দৌৰিছো এই
বাস্তৱৰ তাড়নাত
কট্'ত কেচ, ফাইল
ট্ৰেইন ধৰা নহলে গাড়ী ফেইল ।
সিহঁত কিমান যে সুখী
ঠেটুৰা ধৰা এই কুৱলীভৰা
ফেহুজালীৰ বেলিকা
ঢাপলি মেলিছো ষ্টেচন বুলি
সিহঁত কিমান যে সুখী
মাথোন শুই থকা জনৰ 'কাহ'
বাস্তৱৰ কি যে তাড়না ।

## নতুন সমাজ

দিগন্তত জাগে এক নতুন তপন,
প্ৰভাতত আজি বয় এক নতুন সমীৰণ।
ঢৌৰে ঢৌৱাই যায় সমুদ্ৰৰ পাৰ,
নতুন চেতনা জাগে, বান্ধে মহামাৰ।
ল্যগে শক্তি আমাক দুৰ্দ্দাম বাহুৰ,
নিৰ্মূল কৰিম আমি বৈষম্যৰ।
সন্মুখত আমাৰ এক সুন্দৰ ভবিষ্যৎ
আশাভৰা এক নতুন জগৎ।

৫।৪।৭৩

( উক্ত কবিতাটো নতুন পুৰুষ আলোচনীৰ প্ৰথম বছৰ চতুৰ্থসংখ্যা জুলাই ৭৩ চনত প্ৰকাশিত হৈছে )।



## মোৰ ক্ষুদ্ৰতা

মই এটি বুৰবুৰণি সাগৰৰ,
এয়ে মোৰ ক্ষুদ্ৰ পৰিচয়;
সময়ত ময়ো হয় তাৰ দৰে লয়।
হেমন্তৰ হিমকণা পৰে পাতে পাতে,
অৰুণ উদয় হলে শূণ্য হয় তাতে।
ময়ো মাথো হিমকণা ক্ষন্তেক আয়ুস,
তাৰদৰে স্থিতি মোৰ এটিহে প্ৰত্যুষ।
বসুধাৰ বালিছাহি শাৰীৰিক স্থিতি,
স্থূল ক্ষুদ্ৰ সৃষ্টি মাথো নিয়তিৰ নীতি,
ময়ো সেই নিয়তিৰ নীতিৰ স্বীকৃতি,
আজি মোৰ পৰিচয়, অতীত বিস্মৃতি।
ভবিষ্যত কালৰ সুখ অলীক কল্পনা,
যাযাবৰ জীৱনৰ ই এটি নমুনা।
ব্ৰহ্মাণ্ডৰ অবস্থান মায়াৰ বান্ধোন,
মায়াতে বুৰি থকা ই কুসুম সপোন।
বিৰাট বিশ্বৰ মাজে মই যে নগণ্য
অয়ুসৰ পৰিমানো দেখো এটি মহাশূণ্য

* এই কবিতাটো গণতন্ত্ৰৰ বঙালি বিহু সংখ্যাৰ ১৮৯৪ শকাব্দৰ (12 April 1973) তাৰিখে প্ৰকাশ পাইছে।

১।২।৭৩

## প্ৰেম মাধুৰী

এটি এটি বালিৰ ঘৰ
আমাৰ এই দেহ মন,
তাৰে মাজত এটুকুৰা জুই
আত্মা নামেৰে লৈছে ঠাই ;
ক্ষণিকৰ এই দেহ
ভিন্ন ভিন্ন লৈছে বেশ
মৃত্যুৰ পিনে দৌৰিছে নিতে
যিদৰে সাগৰলৈ বইছে নৈ।
সূৰ্য্য, চন্দ্ৰ নক্ষত্ৰ
'নী'হাৰিকা অথবা ভূমণ্ডল
সকলোৰে আছে লয়,
তাৰে মাজত চলিছে ই
পৰমাত্মাৰ নাম লৈ
প্ৰেমেৰে মাত্ৰ সাবোতা সাবোতিকৈ।
প্ৰেমৰ বান্ধোনতহে পৰি
অন্ধকাৰ তমসা থেলি
ক্ষণিকৰ হিয়াত ঢালিছে
অমৃত-সুধা মঞ্জৰি
অমৰত্বৰ বীজ হৈ সেয়ে
ঘূৰাইছে জগত চকৰি।

৩/৯/৮৫



## ভূল - শুধৰণী

| ভূল শব্দ | শুদ্ধ শব্দ | পৃষ্ঠা | শাৰী |
|---|---|---|---|
| আকাল | আকাশ | ৩২ | ৯ |
| নিসঙ্গ | নিসঙ্গ | ৪৯ | ৪ |
| 'নী'হাৰিকা | নীহাৰিকা | ৫২ | ১০ |
| পৰমাত্মামাৰ | পৰমাত্মাৰ | ৫২ | ১৩ |
| কথা | ক'লা | ৬ | ৯ |
| বান্ধন | বান্ধোন | ৫২ | ১৫ |
| মাতি | মতি | ৪৩ | ১২ |
| পক্কাচটা | একাবন্ন | ২য় | ২ |

—:+:—

এই একে লিখকৰে
ইংৰাজী কবিতাৰ কিতাপ

# A Few Verses In English

লিখক ডিব্ৰুগড় জিলাৰ কবি
চক্ৰৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত কবি ।